অসম চৰকাৰ

উপায়ুক্তৰ কাৰ্য্যালয় ঃঃ শোণিতপুৰ ঃঃ তেজপুৰ।।

(খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ)

নং-এচ এচ এম-৩৫/২০১৭/ ৯২০ তাৰিখঃ- ২ - ১ - ২০১৮

## বিজ্ঞাপন

অসম চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত ৰূপায়ন কৰিব বিচৰা "ভ্ৰাম্যমান আমাৰ দোকান" ( আমাৰ দোকান অন হুইল)ৰ বাবে ইচ্ছুক ব্যক্তিৰ পৰা আবেদন বিচৰা হৈছে। এই আঁচনিত শোণিতপুৰ জিলাৰ বাবে ৬ গৰাকী হিতাধিকাৰী বাচঁনি কৰা হব। এই আঁচনিৰ অধীনত নিৰ্বাচিত হিতাধিকাৰীয়ে সামগ্ৰী কঢ়িয়াবৰ বাবে উপযোগীকৈ ই-ৰিক্সা নিজাববীয়াকৈ যোগাৰ কৰি লব লাগিব আৰু নিজৰ নামত পঞ্জীয়ণ কৰি লব লাগিব। নিৰ্বাচিত হিতাধিকাৰীয়ে, বিভাগে নিৰ্দিষ্ট কৰি দিয়া এলেকাত চৰকাৰী ধাৰ্য্য মুল্যত ২৩ বিধ সামগ্ৰী ভ্ৰাম্যমান আমাৰ দোকান যোগে বিক্ৰী কৰিব লাগিব।

নিৰ্বাচিত হিতাধিকাৰীক অসম চৰকাৰৰ তৰফৰ পৰা ৫০,০০০ .০০ (পঞ্চাশ) হাজাৰ টকা এককালীন অনুদান আগবঢ়োৱা হব। হিতাধিকাৰীয়ে প্ৰয়োজনীয় পুঁজিৰ বাকী অংশ নিজাববীয়াকৈ যোগাৰ কৰিব লাগিব। নিৰ্বাচিত হিতাধিকাৰীক পুঁজিৰ ক্ষেত্ৰত বেংক ঋণ আদি লাভৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়োৱা হব। নিৰ্বাচিত হিতাধিকাৰীয়ে ভ্ৰাম্যমান আমাৰ দোকানৰ বাবে অনুজ্ঞাপত্ৰ লাভ কৰাৰ পিছত জিলাৰ উপায়ুক্তৰ অনুমতি অবিহনে আন ব্যৱসায় কৰিব নোৱাৰিব বা ভ্ৰাম্যমান আমাৰ দোকান আনলৈ হস্তান্তৰ কৰিব নোৱাৰিব।

ইচ্ছুক ব্যক্তিক অহা ১০-০১-২০১৮ তাৰিখৰ ভিতৰত তলত উল্লেখ কৰা চৰ্তসমুহ পুৰণ সাপেক্ষে নিজৰ লিখিত আবেদন জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা শাখাত কাৰ্য্যালয় খোলা থকা সময়ত দাখিল কৰিবৰ বাবে জনোৱা হল।

চৰ্তাৱলী সমূহঃ

১) আবেদনকাৰী ভাৰতীয় নাগৰিক তথা অসম ত স্থায়ীভাবে বসবাস কৰা হ'ব লাগিব।
২) শিক্ষাগত অৰ্হতা-ন্যুনতম হাইস্কুল শিক্ষান্ত বা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।
৩) বয়স -১৮ বছৰ বা উৰ্ধবৰ হ'ব লাগিব।
৪) নিয়োগ বিনিময় কেন্দ্ৰত প্ৰাৰ্থীজনৰ পঞ্জীয়ন থাকিব লাগিব।
৫) আবেদনকাৰীজনৰ নিজৰ ই-ৰিক্সা থাকিব লাগিব আৰু অসম ই-ৰিক্সা নিয়ম-২০১৭ৰ অধীনত অনুজ্ঞাপত্ৰধাৰী হ'ব লাগিব আৰু পৰিবহন কাৰ্য্যালয়ৰ পৰা চালকৰ অনুজ্ঞাপত্ৰ লোৱা হ'ব লাগিব।
৬) নিৰ্বাচিত হিতাধীকাৰীৰ ই-ৰিক্সাখন বীমাকৃত হ'ব লাগিব।
৭) আবেদনকাৰীয়ে দৈনন্দিন খৰচসমূহ নিজে কৰিব পৰাৰ সক্ষমতা প্ৰতিপন্ন কৰাকৈ আয়ৰ প্ৰমানপত্ৰ দাখিল কৰিব লাগিব।
৮) পূৰ্বতে এনে কাম কাৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

কেনেকৈ আবেদন কৰিব-

ইচ্ছুক আগ্ৰহী প্ৰাথীয়ে নিজৰ বায়'ডাটা, স্বপ্ৰত্যায়িক শিক্ষাগত অৰ্হতাৰ প্ৰমান পত্ৰ, নিয়োগ বিনিময় কেন্দ্ৰৰ পঞ্জীয়ন পত্ৰ, বাৰ্ষিক আয়ৰ প্ৰমান পত্ৰ, বয়সৰ প্ৰমান পত্ৰ, পাছপৰ্ট আকাৰৰ শেহতীয়া দুকপি ফটোৰ সৈতে নিজৰ ই-মেইল, মোবাইল নম্বৰ আদি উল্লেখ কৰি অহা ১০ জানুৱাৰী, ২০১৮ ভিতৰত তলৰ ঠিকনাত পোৱাকৈ আবেদন কৰিব পাৰিব। যোগ্য প্ৰাথীয়ে বাছনি ব'ৰ্ডৰ মৌখিক সাক্ষাৎকাৰত অৱতীৰ্ন হ'ব লাগিব। সাক্ষাৎকাৰৰ দিন আৰু সময়ৰ বিষয়ে উপায়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক, বেবছাইটযোগে ১২ জানুৱাৰী,২০১৮ আৰিখৰ পাচত জনোৱা হ'ব। সবিশেষ জানিবলৈ প্ৰাৰ্থীসকলে http://sonitpur.gov.in বেৱছাইটত চাব পাৰিব। আবেদন প্ৰেৰনৰ ঠিকনা- খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, জিলা উপায়ুক্ত কাৰ্য্যালয়, শোণিতপুৰ, তেজপুৰ। পিন-৭৮৪০০১।

স্বাক্ষৰ/-
মহকুমাধিপতি, (সদৰ)
উপায়ুক্ত কাৰ্য্যালয়, শোণিতপুৰ তেজপুৰ।

স্মাৰক নং -এচ এচ এম-৩৫/২০১৭/ ৯২০ - (ক) তাৰিখঃ- ২ - ১ - ২০১৮

প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হলঃ-

১) সকলো চক্ৰ বিষয়া, শোণিতপুৰৰ জ্ঞাতাৰ্থে ও কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হল।
২) জিলা তথ্য আৰু প্ৰযুক্তি বিষয়া, ৰাষ্টীয় তথ্য আৰু প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ শোণিতপুৰ । তেখেতক উক্ত বিজ্ঞাপনটি শোণিতপুৰ জিলাৰ নিৰ্দ্দিষ্ট বেবছাইটত আপলোড কৰিবৰ বাবে অনুৰোধ জনোৱা হল।
৩) জিলা তথ্য ও জনসংযোগ বিষয়া শোণিতপুৰৰ জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে প্ৰেৰণ কৰা হল।
৪) সকলো খণ্ড উন্নয়ন বিষয়া শোণিতপুৰৰ জ্ঞাতাৰ্থে ও কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হল।
৫) শোণিতপুৰ জিলাৰ সকলো গাওঁ পঞ্চায়তৰ সচিব সকলৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।
৬) ব্যক্তিগত সহায়ক, উপায়ুক্ত শোণিতপুৰলৈ উপায়ুক্ত শোণিতপুৰ তেজপুৰক অৱগত কৰাবৰ বাবে।

আগবঢ়াওঁতাঃ-

স্বাক্ষৰ/-
মহকুমাধিপতি, (সদৰ)
উপায়ুক্ত কাৰ্য্যালয়, শোণিতপুৰ তেজপুৰ।